অসম বিধান সভা
তৰা চিহ্নিত প্ৰশ্ন নং :১৬৫
উত্তৰ দানৰ তাৰিখ –২২/০৭/২০২৬

*বিষয়:* **এম জি এনৰেগা আঁচনি সম্পৰ্কে**

বিধায়ক: শ্ৰী সুৰেন ফুকনঃ

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক)পূৰ্বৰ এম জি এনৰেগা বৰ্তমান "ভি বি-জি ৰাম জি" আঁচনিখনত কোন কোন দিশত সালসলনি কৰা হৈছে আৰু শ্ৰমিক সকলৰ বাবে নতুন কি কি সুবিধা অন্তৰ্ভুক্ত কৰা হৈছে ?

(খ)আঁচনিখনত শ্ৰমিকৰ দৈনিক মজুৰি বৃদ্ধিৰ ব্যৱস্থা কৰিছে নেকি ? যদি কৰিছে, কিমান টকাকৈ নিৰ্ধাৰণ কৰা হৈছে জনাব।

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) পূৰ্বৰ এম জি এনৰেগা বৰ্তমান 'ভি বি -জি ৰাম-জি' আঁচনিখনত তলত উল্লেখিত দিশসমূহত সালসলনি কৰা হৈছে-

| ক্ৰমিক নং | বিষয় | এম জি এনৰেগা | ভি বি -জি ৰাম-জি |
|---|---|---|---|
| ১ | কৰ্মসংস্থাপনৰ নিশ্চয়তা | বছৰত ১০০ দিনৰ অনাকৌশলী কামৰ নিশ্চয়তা। | বছৰত ১২৫ দিনৰ অনাকৌশলী কামৰ নিশ্চয়তা। |
| ২ | মূল উদ্দেশ্য | এখন অধিকাৰ-ভিত্তিক (Right-based) আৰু চাহিদা-ভিত্তিক (Demand-driven) আঁচনি, য'ত গ্ৰাম্য অঞ্চলৰ প্ৰতিটো যোগ্য পৰিয়ালক বছৰত ন্যূনতম ১০০ দিনৰ অদক্ষ শাৰীৰিক কামৰ নিশ্চয়তা প্ৰদান কৰা হৈছিল। | এম জি এনৰেগাৰ তুলনাত অধিক পৰিকল্পনা-ভিত্তিক আৰু উন্নয়নমুখী আঁচনি। এই আঁচনিৰ মূল উদ্দেশ্য কেৱল অস্থায়ী নিয়োগ প্ৰদান কৰাই নহয়, বৰং গ্ৰাম্য আন্তঃগাঁথনি, জীৱিকা উন্নয়ন আৰু সামগ্ৰিক গ্ৰাম উন্নয়নক অগ্ৰগতি প্ৰদান কৰা। |
| ৩ | গ্ৰহণযোগ্য (Permissible) কাম | মুঠ গ্ৰহণযোগ্য কামৰ সংখ্যা আছিল ২৬৬ টা। | মুঠ গ্ৰহণযোগ্য কামৰ সংখ্যা হল ৩১৮ টা। |
| ৪ | কৰ্ম পৰিকল্পনা | MGNREGA-ৰ অধীনত কামৰ চাহিদাৰ ওপৰত ভিত্তি কৰি বাৰ্ষিক কামৰ পৰিকল্পনা কৰা হৈছিল আৰু সেই মৰ্মে কাম সমূহ গাঁও সভাৰ অনুমোদন সাপেক্ষে অগ্ৰাধিকাৰ ভিত্তিত গ্ৰহণ কৰা হৈছিল। | VB-G RAM-G ৰ অধীনত কোনো এটা পঞ্চায়তৰ Normative Allocation ৰ ওপৰত ভিত্তি কৰি বাৰ্ষিক কামৰ পৰিকল্পনা প্ৰকাশ কৰা হব আৰু গাঁও সভাৰ অনুমোদন সাপেক্ষে বিকশিত গ্ৰাম পঞ্চায়ত পৰিকল্পনা (VGPP)প্ৰস্তুত কৰা হব ।সেই পৰিকল্পনাসমূহ অগ্ৰাধিকাৰ ভিত্তিত ৰূপায়ন কৰাৰ ব্যৱস্তা কৰা হব। |
| ৫ | প্ৰযুক্তিৰ ব্যৱহাৰ | প্ৰযুক্তিৰ ব্যৱহাৰ তুলনামূলকভাৱে সীমিত আছিল। | প্ৰযুক্তিনিৰ্ভৰ পৰ্যবেক্ষণ, জিঅ'টেগিং, বায়'মেট্ৰিক উপস্থিতি, কৃত্তিম বুদ্ধিমত্তাৰ দ্বাৰা বিশ্লেষণ, অনলাইন পৰ্যবেক্ষণ আৰু বাস্তৱ-সময়ৰ মনিটৰিং ব্যৱস্থাৰ অধিক ব্যৱহাৰ কৰা হৈছে, যাৰ ফলত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি পাব। |

| ক্ৰমিক নং | বিষয় | এম জি এনৰেগা | ভি বি -জি ৰাম-জি |
|---|---|---|---|
| ৬ | মজুৰিৰ হাৰ | অদক্ষ শ্ৰমিকসকলক দৈনিক ₹২৫৬ টকা মজুৰি প্ৰদান কৰা হৈছিল। | অদক্ষ শ্ৰমিকসকলৰ এই মজুৰি দৈনিক ₹৩০০ টকালৈ বৃদ্ধি কৰা হৈছে। |
| ৭ | পুঁজি বহন | অদক্ষ শ্ৰমিকৰ মজুৰি সম্পূৰ্ণ (১০০%) কেন্দ্ৰীয় চৰকাৰে বহন কৰিছিল। ৰাজ্য চৰকাৰে Skilled/Semi-skilled আৰু Material অংশত ২৫% ধন নিজৰ অংশ হিচাপে দিছিল। | অদক্ষ শ্ৰমিকৰ মজুৰিসহ সকলো ব্যয় কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ভাগ-বতৰাৰ ভিত্তিত বহন কৰে। অসমৰ ক্ষেত্ৰত, VB-G RAM G-ত মজুৰি আৰু সামগ্ৰী উভয় শিতানতে কেন্দ্ৰীয় আৰু ৰাজ্যৰ ব্যয়ৰ অনুপাত ৯০ : ১০। |
| ৮ | কৃষি কাৰ্য্যৰ বাবে বিৰতি | এই ব্যৱস্থা MGNREGA-ৰ অধীনত নাছিল। | ভি বি-জি ৰাম-জি আইন, ২০২৫-ৰ অধীনত এটা বিত্তীয় বৰ্ষত ষাঠি (৬০) দিনৰ 'কৃষিৰ বাবে বিৰতি' (Agricultural Pause)-ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। এই ব্যৱস্তাৰ লক্ষ্য হল বীজ সিঁচা/ৰোপণ আৰু শস্য চপোৱাৰ শীৰ্ষ সময়ছোৱাত কৃষিকাৰ্যৰ বাবে পৰ্যাপ্ত শ্ৰমিকৰ উপলব্ধতা নিশ্চিত কৰা। |
| ৯ | প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কীয় পৰিকল্পনা | এনে কোনো ব্যৱস্থা নাছিল। | প্ৰাকৃতিক দুৰ্যোগ বা পৰিবেশৰ প্ৰতিকূল পৰিস্থিতিৰ বাবে সমৰ্পিত কাৰ্যপৰিকল্পনা । |
| ১০ | প্ৰশাসনিক ব্যয় | প্ৰশাসনিক শিতানৰ ধনৰ পৰিমাণ ৬% ত স্থিৰ কৰা হৈছিল। | প্ৰশাসনিক শিতানৰ ধনৰ পৰিমাণ ৯% লৈ বৃদ্ধি কৰা হৈছে। |
| ১১ | বাজেট ব্যৱস্থা | কেন্দ্ৰই মজুৰি আৰু প্ৰশাসনিক ব্যয়ৰ ১০০% আৰু সামগ্ৰী ব্যয়ৰ ৭৫% পৰিশোধ কৰিছিল; শ্ৰম বাজেট শেষ হ'লে সংশোধিত অনুমোদন বিচৰা হৈছিল। | প্ৰতিখন ৰাজ্যৰ বাবে এটা মানদণ্ডভিত্তিক বাজেট অনুমোদন কৰা হ'ব; ইয়াৰ বাহিৰে হোৱা যিকোনো অতিৰিক্ত ব্যয় ৰাজ্য চৰকাৰৰ দায়িত্ব হ'ব। |
| ১২ | নিৰীক্ষণ কমিটি | পূৰ্বে কেৱল এখন ৰাজ্যিক পৰ্যায়ৰ ক্ষমতাশালী সমিতি (State-Level Empowered Committee) গঠন কৰা হৈছিল। | কাৰ্যক্ষম নিৰ্দেশনা, সমন্বয় আৰু নিৰীক্ষণৰ বাবে এখন "ৰাজ্যিক গ্ৰামীণ ৰোজগাৰ গেৰাণ্টি পৰিষদ" (State Gramin Rozgar Guarantee Council) ৰ লগতে "ৰাজ্যিক পৰ্যায়ৰ ষ্টিয়াৰিং কমিটি" (State-Level Steering Committee) গঠন কৰা হ'ব। |

ভি বি-জি ৰাম-জি (VB-G RAM G)-ৰ অধীনত শ্ৰমিকসকলৰ বাবে অন্তৰ্ভুক্ত কৰা নতুন সুবিধাসমূহ হ'ল—

১. ভি বি-জি ৰাম-জি আইন, ২০২৫-ৰ অধীনত কৰ্মসংস্থাপনৰ নিশ্চয়তা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে।
২. শ্ৰমিকসকলৰ সুবিধাৰ্থে কৃষি ঋতুত ষাঠি (৬০) দিনৰ 'কৃষি বিৰতি'।
৩. VB-G RAM G-ৰ অধীনত শ্ৰমিকসকলৰ দৈনিক মজুৰি ₹৩০০ টকালৈ বৃদ্ধি কৰা হৈছে।
৪. পূৰ্বৰ জব কাৰ্ডৰ পৰিৱৰ্তে VB-G RAM G-ৰ অধীনত কৰ্মসংস্থাপনৰ বাবে শ্ৰমিকসকলক QR সংলগ্ন GRGC (Gramin Rozgar Guarantee Card/ গ্ৰামীন ৰোজগাৰ গেৰাণ্টী কাৰ্ড) ব্যৱস্থা । ইয়াৰ দ্বাৰা শ্ৰমিকসকলে VB-G RAM G-ৰ সম্পৰ্কে প্ৰয়োজনীয় সকলো তথ্য থাওকতে পাবলৈ সক্ষম হব।
৫. অনুমোদিত কামৰ সংখ্যা ৩১৮ টা লৈ বৃদ্ধি কৰা হৈছে।
৬. কাম কৰাৰ ১৫ দিনৰ ভিতৰত মজুৰিৰ নিশ্চিতকৰণ।
৭. কৰ্মস্থলীত বায়মেট্ৰিক উপস্থিতি নিশ্চিতকৰণ।

(খ) VB-G RAM-G আঁচনি অনুসৰি, পূৰ্বৰ MGNREGAৰ অধীনত জব কাৰ্ডধাৰী সকলক প্ৰদান কৰা প্ৰতিদিনে ₹২৫৬ টকা মজুৰি বৃদ্ধি কৰি প্ৰতিদিনে ₹৩০০ টকা নিৰ্ধাৰণ কৰা হৈছে।এই বৰ্দ্ধিত মজুৰি ১ জুলাই ২০২৬ তাৰিখৰ পৰা কাৰ্যকৰী কৰা হৈছে।

******